REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-10-2023
Time : 17-15 Hrs.

# ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় চৰকাৰে বানপীড়িত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য প্ৰদানত অনুমতি জনাইছে। এই ধনৰাশি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা ২০২৩-২৪ বৰ্ষৰ বাবে ৰাজ্যখনলৈ আগবঢ়াইছে। গৃহ মন্ত্ৰালয়ে আকস্মিক বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিবলৈ আন্তঃমন্ত্ৰালয়ৰ কেন্দ্ৰীয় দল গঠন কৰিছে। মন্ত্ৰালয়ে জনোৱা মতে দলটোৱে অতি সোনকালে ৰাজ্যৰ ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু ইয়াৰ মূল্যায়নৰ ভিত্তিত ছিকিমলৈ অতিৰিক্ত কেন্দ্ৰীয় সাহায্যত অনুমোদন জনোৱা হ'ব।

ইফালে পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ সময়মতে ৰচদ-পাতিৰ সাহায্য আগবঢ়াইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ভাৰতীয় বায়ুসেনাৰ হেলিকপ্টাৰ আৰু সেনাজোৱানৰ পৰ্যাপ্ত দলৰ লগতে প্ৰয়োজনীয় অনুসন্ধান আৰু উদ্ধাৰৰ সঁজুলিও প্ৰেৰণ কৰা হৈছে। ইপিনে, ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এটা নিৰ্দেশনাৰ জৰিয়তে জনসাধাৰণক তিস্তা নদীৰ অৱবাহিকাত গুলী-বাৰুদকে ধৰি আন বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হ'লে সেইসমূহ ততালিকে ৰাজ্যিক তাৎক্ষণিক অভিযান কেন্দ্ৰ অথবা জিলা আয়ুক্তৰ কাৰ্যালয়ত জমা দিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, দুদিন পূৰ্বে ডাৱৰ বিস্ফোৰণ আৰু বানপানীৰ বাবে তিস্তা নৈৰ কেইবাখনো দলং, ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু অংশ আৰু চুংথাং বান্ধ উটুৱাই লৈ যোৱাৰ ফলত ছিকিমৰ কেইবাখনো সৰু চহৰৰ আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হয়।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নেৰানপেৰা বৰষুণ অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত বাট-পথ, চৰকাৰী কাৰ্যালয়, বিদ্যালয় আদি কৃত্ৰিম বানত বুৰ গৈছে। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা বতৰৰ আগলিবতৰা অনুসৰি আজিৰে পৰা ৯ অক্টোবৰলৈ অসমৰ বিভিন্ন স্থানত নেৰানেপেৰা বৰষুণ হৈ থাকিব। বতৰ বিজ্ঞান কেন্দ্ৰটোৱে ৰাজ্যৰ বহুকেইখন জিলাত ৰেড এলাৰ্ট আৰু য়েলো এলাৰ্ট জাৰি কৰিছে। গুৱাহাটীকে ধৰি ৰাজ্যৰ কেইবাখনো জিলাত ব্ৰজপাতৰ সৈতে আকাশ ডাৱৰীয়া হৈ থাকিব বুলি কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে। কোকৰাঝাৰ, চিৰাং, বঙাইগাওঁ, ধুবুৰী আৰু দক্ষিণ শালমৰা -মানকাছৰ জিলাত অত্যাধিক বৰষুণৰ আশংকাৰে ৰেড এলাৰ্ট জাৰি কৰা হৈছে। আনহাতে, গোৱালপাৰা, বৰপেটা, বাক্সা, নলবাৰী, কামৰূপ গ্ৰাম্য, কামৰূপ মহানগৰ, দৰং, পশ্চিম কাৰ্বি আংলং, হোজাই, ডিমা হাচাও, কৰিমগঞ্জ, লখিমপুৰ আৰু ডিব্ৰুগড়ত অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে।

০০০

মাজুলীৰ শ্ৰীৰাম চাপৰিত কাইলৈ ৫০খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় মুকলি কৰা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই চিকিৎসালয়খন উদ্বোধন

কৰিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, মাজুলীৰ বিধায়ক ভূবন গাম আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অৱিনাশ যোশী উপস্থিত থাকিব। এই আয়ুৰ্বেদিক চিকিৎসালয়খনে মাজুলীবাসীক চিকিৎসাৰ ক্ষেত্ৰত বহুখিনি সকাহ দিব বুলি আশা কৰা হৈছে।

০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই আজি চিৰাং জিলাৰ ভৱানীপুৰত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। যাত্ৰাৰ শেষত অনুষ্ঠিত সভাত অংশ লৈ চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে মেৰা মাটি মেৰা দেশ কাৰ্যসূচীৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। এই অমৃত কলহ যাত্ৰাত মন্ত্ৰীগৰাকীৰ লগতে চিৰাং জিলাৰ আয়ুক্ত আৰু চিডলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী উপস্থিত থাকে।

আনহাতে, নগাওঁ জিলাতো আজি মেৰা মাটি মেৰা দেশ অভিযানৰ অধীনত অমৃত কলহ যাত্ৰাৰ আয়োজন কৰা হয়। জিলাখনৰ বটদ্ৰৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত চহৰীয়া গাঁও পঞ্চায়তত অনুষ্ঠিত এই কাৰ্যসূচীত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ উপস্থিত থাকে। অৰ্ধসহস্ৰাধিক লোকে অংশগ্ৰহণ কৰা এই অমৃত কলহ শোভাযাত্ৰাত জিলাখনৰ আৰক্ষী অধীক্ষক নৱনিত মহন্তইও অংশগ্ৰহণ কৰে। যাত্ৰাৰ শেষত সংগৃহীত মাটিখিনি চহৰীয়া গাঁও পঞ্চায়তত জমা কৰা হয়।

০০০

আৰক্ষীয়ে আজি গোপন তথ্যৰ ভিত্তিত অভিযান চলাই কৰিমগঞ্জ জিলাৰ দুটা স্থানৰ পৰা বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ চুৰাইবাৰী আৰু কৰিমগঞ্জ চহৰত অভিযান চলাই আৰক্ষীয়ে ৯ হাজাৰ বটল অবৈধ কফ চিৰাপ আৰু ১১ দশমিক ৫ গ্ৰাম সন্দেহযুক্ত হেৰোইন জব্দ কৰিছে। এই সন্দৰ্ভত আৰক্ষীয়ে ৪ জন লোকক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনল'ড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Of Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।

০০০

সমাপ্ত